## পৰিশিষ্ট

বৃহত্তৰ অসমীয়া জাতি গঠনৰ হোতা হিচাপে আমি প্ৰথমেই নাম ল'ব লাগিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ। তেওঁৰেই পদাংক অনুসৰণ কৰি পৰৱৰ্তী সময়ত মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি বৈষ্ণৱসকলে বিভিন্ন দিশত অৱদান আগবঢ়াই গৈছে। এইসকলৰ উপৰিও অসমীয়া জাতীয় ঐক্য, সম্প্ৰীতি বজায় ৰখাৰ ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, পাৰ্বতী প্ৰসাদ বৰুৱা, ড° ভূপেন হাজৰিকা আদি মনীষীসকলেও বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। এইসকলৰ লগতে অতীত কালৰে পৰা অসমত বাস কৰি অহা বিভিন্ন জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ সন্মিলিত ৰূপটোতহে আমি প্ৰকৃত অসমখনক বিচাৰি পাব পাৰোঁ। এইসকলৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য আদিৰ সমন্বয়ে অসমখনক বৈচিত্ৰ্যময় কৰি তুলিছে। এই বৈচিত্ৰ্যময় অসমখনৰ এখন ছবি শিক্ষাৰ্থীসকলৰ আগত তুলি ধৰাটোৱেই আমাৰ উদ্দেশ্য। কিতাপখনত সন্নিবিষ্ট বিভিন্ন জনগোষ্ঠীসমূহৰ উপৰিও অসমত আৰু বহুতো জাতি-জনজাতি বা সম্প্ৰদায়ৰ লোক অতীতৰে পৰাই নিজৰ কৃষ্টি-সংস্কৃতিৰে অসমক উজ্জীৱিত কৰি ৰাখিছে, যিসকলৰ বিষয়ে এই ক্ষুদ্ৰ দ্ৰুতপাঠখনিত সন্নিবিষ্ট কৰাটো সম্ভৱ হৈ নুঠিল। এইসকলক বাদ দি আমি সামগ্ৰিক অসমখনৰ কথা ভাবিব নোৱাৰোঁ। সেই জনগোষ্ঠীসমূহ হ'ল—খাচিয়া বা জয়ন্তীয়া, ৰবাহী বা চাউদাং, চাক্‌মা সম্প্ৰদায়, কুকী, খামতি, চিংফৌ, মেছ্ কছাৰী, বকলিয়াল, শৰণীয়া কছাৰী, মদাহী সম্প্ৰদায়, বিয়াং, বেংমা, জেমি বা নগা, বংমাই, মিজো, লাখেৰ, অসমীয়া মাৰোৱাৰী, অসমীয়া শিখ, বঙ্গীয় মূলৰ মুছলমান ইত্যাদি। ছাত্ৰ-ছাত্ৰীসকলে উচ্চ পৰ্যায়ত বিস্তৃতভাৱে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ বিষয়ে অধ্যয়ন কৰাৰ ক্ষেত্ৰত এই দ্ৰুতপাঠখনিয়ে উৎসাহ যোগাব।

● ● ●